**REGIONAL NEWS UNIT**
AKASHVANI GUWAHATI
0000000000

**Date : 24-09-2025**
**Time : 21-25 Hrs**

**ASSAMESE NIGHT BULLETIN**

**::::::::::::::::::**

আদৰৰ শিল্পী জুবিন গাৰ্গৰ অকাল মৃত্যুৰ ঘটনাৰ তদন্তৰ বাবে ৰাজ্য চৰকাৰে এটা বিশেষ অনুসন্ধানকাৰী গোট চমুকৈ এছ আই টি গঠন কৰিছে। এই সন্দৰ্ভত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই সামাজিক মাধ্যমযোগে কয়, যে অসম আৰক্ষীয়ে কণ্ঠশিল্পীৰ মৃত্যুৰ তদন্তৰ কাম ত্বৰান্বিত গতিৰে কৰি আছে। মুখ্যমন্ত্ৰী ড° শৰ্মাই আজি সন্ধিয়া অসম আৰক্ষীৰ শীৰ্ষ বিষয়াসকলৰ সৈতে বৈঠকত মিলিত হৈ ১০ জনীয়া বিশেষ অনুসন্ধানকাৰী গোট গঠন কৰে। এই গোটৰ নেতৃত্বত আছে এম পি গুপ্তা আছে বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰিছে। শিল্পীগৰাকীৰ মৃত্যুৰ সৈতে জড়িত কোনো লোকক ৰেহাই দিয়া নহ'ব বুলিও মুখ্যমন্ত্ৰী ড° শৰ্মাই উল্লেখ কৰে।

কেন্দ্ৰীয় বিদেশ ৰাজ্যমন্ত্ৰী পবিত্ৰ মাৰ্ঘেৰিটাই জুবিন গাৰ্গৰ মৃত্যুৰ ঘটনাৰ উচিত তদন্তৰ দাবী কৰে।

**বাইট**

শিল্পীগৰাকীৰ মৃত্যুৰ উচিত তদন্ত বিচাৰি পাঠশালাত আজি সন্ধিয়া ৰাষ্ট্ৰীয় বজৰং দলে প্ৰতিবাদী সমদল উলিয়ায়। পাঠশালা নগৰৰ মাজেৰে উলিওৱা এই প্ৰতিবাদী সমদলত শতাধিক প্ৰতিবাদকাৰীয়ে অংশগ্ৰহণ কৰে।

oooooo

সেৱা সপ্তাহৰ লগত সংগতি ৰাখি তিনিচুকীয়া জিলাত সমষ্টিভিত্তিক বৃহৎ স্বাস্থ্যমেলাৰ প্ৰথমটো শিবিৰ আজি ডুমডুমাৰ ৰূপাইত অনুষ্ঠিত হয়। ৰূপাই উচ্চ মাধ্যমিক বিদ্যালয়ৰ খেলপথাৰত অনুষ্ঠিত শিবিৰত শ্ৰম, চাহ শ্ৰমিক আৰু আদিবাসী কল্যান বিভাগৰ মন্ত্ৰী ৰূপেশ গোৱালাই অংশগ্ৰহণ কৰে। এই শিবিৰৰ দ্বাৰা জনসাধাৰণ বহু উপকৃত হ'ব বুলি মন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে। অনুষ্ঠানত লখিমপুৰ লোকসভা সমষ্টিটোৰ সাংসদ প্ৰদান বৰুৱাইও অংশগ্ৰহণ কৰে। তেওঁ কয় যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত নতুন ভাৰত নিৰ্মাণৰ প্ৰক্ৰিয়া আৰম্ভ হৈছে। তেওঁ স্বদেশী সামগ্ৰী ব্যৱহাৰৰ বাবে জনসাধাৰণক আহ্বান জনায়। এই শিবিৰত ১৮ বছৰ অনুৰ্ধৰ লোকৰ বাবে ৫৯  বিধ ৰোগৰ সকলো ধৰণৰ পৰীক্ষা নিৰীক্ষা, বিশেষজ্ঞ চিকিৎসকৰ পৰামৰ্শ আৰু দৰৱ উপলব্ধ হ'ব। আনহাতে, প্ৰয়োজন সাপেক্ষে উন্নত চিকিৎসাৰ বাবে আন হাস্পতাললৈ প্ৰেৰণ কৰাৰো ব্যৱস্থা কৰা হ'ব। এই ক্ষেত্ৰত ৰাজ্য চৰকাৰে বিহিত ব্যৱস্থা গ্ৰহণ কৰিব। এই স্বাস্থ্য শিবিৰতেই বিশেষভাৱে সক্ষম ব্যক্তিসকলৰ পৰীক্ষা কৰাৰ লগতে প্ৰমাণপত্ৰ প্ৰদানৰো ব্যৱস্থা কৰা হৈছে। আজিৰ এই শিবিৰত ২ হেজাৰ ১৯৯ গৰাকী ৰোগীয়ে অংশগ্ৰহণ কৰে। ইয়াৰে ২৭১ গৰাকী উন্নত চিকিৎসাৰ বাবে আন হাস্পতাললৈ প্ৰেৰণ কৰা হয়।

oooooo

শোণিতপুৰৰ জিলা আয়ুক্ত আনন্দ কুমাৰ দাসৰ সভাপতিত্বত  আজি জিলা আয়ুক্তৰ কাৰ্যালয়ৰ সভাকক্ষত জিলা উন্নয়ন সমিতিৰ মাহিলী সভা অনুষ্ঠিত হয়। সভাত সম্পূৰ্ণ নোহোৱা প্ৰকল্পসমূহ অতি শীঘ্ৰে সম্পূৰ্ণ কৰিবলৈ জিলা আয়ুক্তই সংশ্লিষ্ট বিভাগসমূহক আহ্বান জনায়। আদৰ্শ অঙ্গনবাড়ী কেন্দ্ৰ নিৰ্মাণ, কৃষি

আঁচনি, প্ৰধানমন্ত্ৰী কিষাণ সন্মান নিধি, ফচল বীমা যোজনা আদি আঁচনিসমূহৰ কাম-কাজ সূচাৰুৰূপে সম্পূৰ্ণ কৰিবলৈ নিৰ্দেশ দিয়া হয়। স্বাস্থ্য, জনস্বাস্থ্য, কাৰিকৰী, মীন, সমাজ কল্যান আদি বিভাগৰ লগতে গ্ৰামাঞ্চলত ঘৰুৱা টেপ সংযোগ আঁচনিৰ প্ৰগতি, চাহ বাগিছাৰ চিকিৎসা কেন্দ্ৰ পৰিদৰ্শন, দোকান-পোহাৰ পৰিদৰ্শন আদি সন্দৰ্ভতো সভাত আলোচনা কৰা হয়। পশুপালন আৰু পশু চিকিৎসা বিভাগে ৰেবিচমুক্ত অভিযানৰ অধীনত ৪৫০ ৰো অধিক পথৰ কুকুৰক টীকাকৰণ কৰা হৈছে বুলি প্ৰকাশ কৰে। সভাত জিলা উন্নয়ন আয়ুক্ত, অতিৰিক্ত জিলা আয়ুক্তৰ লগতে বিভাগীয় বিষয়াসকল উপস্থিত থাকে।

০০০০০০

দুৰ্গা পূজা সুকলমে আৰু শান্তিপূৰ্ণভাৱে উদ্‌যাপন কৰিবলৈ শোণিতপুৰ জিলা প্ৰশাসনে বিশেষ ব্যৱস্থা গ্ৰহণ কৰিছে। জনতাৰ সুৰক্ষাৰ প্ৰতি লক্ষ্য ৰাখি জিলা দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধীকৰণৰ নিয়ন্ত্ৰণ কক্ষৰ নম্বৰ ৯৪৩৫৩ ৭১৬৭২ আৰু আৰক্ষীৰ নম্বৰ ৭০৮৬৯ ৯৩৮৯৮ মুকলি কৰা হৈছে। জিলা আয়ুক্ত আনন্দ কুমাৰ দাসে পূজা সমিতিসমূহক আৰু সৰ্বসাধাৰণ ৰাইজক নিৰ্ধাৰিত নীতি নিৰ্দেশনা পালন কৰি প্ৰশাসনক পূৰ্ণ সহযোগিতা আগবঢ়াবলৈ আহ্বান জনাইছে।

০০০০০০

এছিয়া কাপ টি-২০ ক্ৰিকেট প্ৰতিযোগিতাৰ ছুপাৰ ফ'ৰ পৰ্যায়ৰ এখন খেলত আজি ডুবাই ক্ৰিকেট ষ্টেডিয়ামত ভাৰত-বাংলাদেশৰ মুখামুখী হৈছে। আমাৰ বাতৰি যুগুতোৱাৰ পৰলৈকে ভাৰতে প্ৰথমে বেট ধৰি ১৬ অভাৰত ৫ টা উইকেট হেৰুৱাই ১৩৫ ৰাণ সংগ্ৰহ কৰি খেলি আছে।

উল্লেখযোগ্য যে ছুপাৰ ফ'ৰ পৰ্যায়ত ভাৰতে প্ৰথমখন খেলত পাকিস্তানক আৰু বাংলাদেশে ছুপাৰ ফ'ৰ পৰ্যায়ৰ প্ৰথমখন খেলত শ্ৰীলংকাক পৰাজিত কৰিছে।

টি টুৱেণ্টি প্ৰতিযোগিতাত বাংলাদেশৰ বিৰুদ্ধে ভাৰতৰ সফলতা প্ৰায় ৯০ শতাংশ যদিও এইবাৰৰ প্ৰতিযোগিতাত বাংলাদেশে শক্তিশালী শ্ৰীলংকাক ছুপাৰ ফ'ৰ পৰ্যায়ত পৰাজিত কৰাৰ সূত্ৰে দলটোৰ মনোবল ভালেখিনি বৃদ্ধি পাইছে।

০০০০০০

ওদালগুৰি জিলাৰ টংলাৰ নিকটৱৰ্তী ধোপগুৰি গাওঁৰ সৰবৰহী মহিলা অকনবালা নাথৰ যোৱা নিশা নিজ বাসগৃহত দেহাৱসান ঘটে। মৃত্যুৰ সময়ত তেওঁৰ বয়স আছিল ৮৫ বছৰ। তেওঁৰ বিয়োগত অঞ্চলটোত শোকৰ ছাঁ পৰিছে।

০০০০০০

সমাপ্ত